আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MARCH 03, 2024>> 10 PM | www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৬৬ | Guwahati, Assam ।। মূল্যঃ এটকা



পাটনাৰ গান্ধী ময়দানত 'ইণ্ডিয়া'ৰ ৰেলীত হাতত হাত ধৰি এঘড়ী যুঁজাৰ পণ বিৰোধীৰ, দেওবাৰে

## ‘কা’ হৈছে অসমীয়া জাতিৰ ডিঙিত ওলমি থকা এখন সুতীক্ষ্ণ তৰোৱাল!



বিশেষ কলম | অজিত কুমাৰ ভূঞা

(১) সংবিধান বিৰোধী, অসমীয়া সমস্ত ভাষা-সংস্কৃতি বিৰোধী 'কা' আইনখন অসমীয়া জাতিৰ ডিঙিৰ চাৰিওফালে ৪ পৃষ্ঠাত চাওক

### ১০ বছৰৰ অন্তত বিৰোধীৰ একত্ৰিত সমাৰেশ, সমৰ্থকৰ ভিৰ

# বিহাৰত 'ইণ্ডিয়া’ৰ বিশাল ৰেলী

**পাটনা, ৩ মাৰ্চঃ** ২০১৩ চনৰ পাছত প্ৰথমবাৰ দেশৰ বিৰোধীয়ে হিন্দীভাষী ৰাজ্যত একত্ৰিত হৈ শক্তি প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। বিহাৰৰ ৰাজধানী পাটনাৰ ঐতিহাসিক গান্ধী ময়দানত কেইবা লাখ লোকক একত্ৰিত কৰি বিৰোধী মিত্ৰজোঁট ‘ইণ্ডিয়া’ই প্ৰথমবাৰ শক্তি প্ৰদৰ্শন কৰে। বিশাল ৰাজহুৱা সভাত কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ৰাষ্ট্ৰীয় জনতা দল, চিপিআই, চিপিআইএম আদি দলৰ প্ৰতিনিধি উপস্থিত থাকে। মল্লিকাৰ্জুন খাৰ্গে, ৰাহুল গান্ধী, লালু যাদৱ, অখিলেশ সিং যাদৱ, তেজস্বী যাদৱ, ডি. ৰাজা, সীতাৰাম য়েচুৰী, দীপাংকৰ ভট্টাচাৰ্য আদি নেতা উপস্থিত থাকে। আৰজেডি, বাওঁপন্থী আৰু কংগ্ৰেছে আয়োজন কৰা পাটনাৰ শেষাংশ ২ পৃষ্ঠাত

## বিজেপি নেত্ৰীৰ আত্মহত্যা কাণ্ডৰে জড়িত অভিমন্যুক গ্ৰেপ্তাৰ



**ই-সংবাদ, সৰুপথাৰ, ৩ মাৰ্চঃ** অৱশেষত নাটকীয়ভাৱে আৰক্ষীৰ জালত পৰিল বিজেপি নেত্ৰী ইন্দ্ৰানী তহবিলদাৰ মৃত্যুকাণ্ডত জড়িত থকাৰ অভিযুক্ত অভিমন্যু দাস। আৰক্ষীৰ চকুত ধুলি দি মুকলি মনেৰে ঘূৰি থকা ইন্দ্ৰানী তহবিলদাৰ মৃত্যুকাণ্ডত জড়িত থকাৰ অভিযুক্ত অভিমন্যু দাসক আন এক ঘটনাৰ বাবে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম শেষাংশ ৪ পৃষ্ঠাত

## ত্ৰিপুৰাত বিজেপি-তিপ্ৰাৰ কাজিয়া

**আগৰতলা, ৩ মাৰ্চঃ** বিজেপিয়ে লোকসভা নিৰ্বাচনৰ বাবে প্ৰথমখন তালিকা ঘোষণাৰ পাছতে শনিবাৰে ত্ৰিপুৰাত বিজেপিৰ কাৰ্যালয়ত আক্ৰমণ কৰাৰ অভিযোগ উঠে। শনিবাৰে নিশা শেষাংশ ২ পৃষ্ঠাত

## বিজেপিৰ ‘সমষ্টি পুনৰ নিৰ্ধাৰণ’ৰ কথা মনতেই নপৰিল!



| | | | |
|---|---|---|---|
| 1 | 1 | Karimganj (SC) | Shri Kripanath Malla |
| 2 | 2 | Silchar | Shri Parimal Suklaba |
| 3 | 3 | Autonomous District (ST) | Shri Amar Sing Tiss |
| 4 | 7 | Gauhati | Smt. Bijuli Kalita M |
| 5 | 8 | Mangaldoi | Shri Dilip Saikia |
| 6 | 9 | Tezpur | Shri Ranjit Dutta |
| 7 | 10 | Nowgong | Shri Suresh Bora |
| 8 | 11 | Kaliabor | Shri Kamakhaya Pra |
| 9 | 12 | Jorhat | Shri Topon Kumar G |
| 10 | 13 | Dibrugarh | Shri Sarbananda Son |
| 11 | 14 | Lakhimpur | Shri Pradhan Baruah |

**ই-সংবাদ, ৩ মাৰ্চঃ** শাসকীয় বিজেপি দলে অসমৰ ১৪ সমষ্টিক লৈ চিন্তিত নহয়। দিল্লীত চৰকাৰ গঠন কৰাত অসমৰ ১৪টা সমষ্টিয়ে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব নোৱাৰাৰ শেষাংশ ৪ পৃষ্ঠাত



প্ৰথম পৃষ্ঠাৰ পৰা...

# ত্ৰিপুৰাত বিজেপি

খোৱাই জিলাৰ আশৰমবাৰী বিধানসভা সমষ্টিৰ পূব ৰাজনগৰ গাঁৱত শাসকীয় বিজেপি দলৰ কাৰ্যালয় তছনছ কৰা হয়। চকী, মেজ, বিভিন্ন প্ৰকাৰৰ কাগজ-পত্ৰ আৰু ফ্লেক্স, প্ৰচাৰৰ সামগ্ৰীত জুই লগাই দিয়ে। কিছু অজ্ঞাত দুৰ্বৃত্তই এই কাণ্ড সংঘটিত কৰে। দেওবাৰে ছয়জন লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। স্থানীয় চম্পাহুৰ আৰক্ষী থানাত গোচৰ ৰুজু কৰা হয়। শনিবাৰে নিশা অচিনাক্ত দুৰ্বৃত্তই বিজেপি দলৰ অস্থায়ী কাৰ্যালয়ত আক্ৰমণ কৰিছিল। ত্ৰিপুৰা বিজেপিৰ সম্পাদক দেৱীদ দেৱ বৰ্মাই আক্ৰমণক গৰিহণা দি আৰু ৰাজনৈতিক লাভৰ বাবে এনে নিম্ন পৰ্যায়ৰ কাম কৰা বুলি কয়। বিৰোধী টিপ্ৰা মথা দলৰ কৰ্মীয়ে কাৰ্যালয় তছনছ কৰাৰ অভিযোগ আনে একাংশ বিজেপি কৰ্মীয়ে। চম্পাহোৰ আৰক্ষী থানাত বিজেপি দলে টিপ্ৰা মথাৰ নাম লৈ অভিযোগ দাখিল কৰে। টিপ্ৰা মথা দলৰ চিত্ত দেব্বাৰ্মা, ৰাজু দেব্বাৰ্মা, সুমন দেব্বাৰ্মা, চঞ্জিত দেব্বাৰ্মা, মহেন্দ্ৰ দেব্বাৰ্মা আৰু উজ্জল দেৱ বৰ্মাৰ নাম উল্লেখ কৰি অভিযোগ দিয়া বুলি জানিব পৰা গৈছে।



বিহালীৰ বটিয়ামাৰীৰ কণমানি ৰাজস্মিতা লুইটেলৰ সাঁচতীয়া ধন মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ দান

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহাৰত 'ইণ্ডিয়া'ৰ বিশালী

মিত্ৰজোঁটৰ সমাৰেশত লাখ লাখ লোক উপস্থিত থকা দেখা যায়। সকলো বিৰোধী নেতাই কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰক তীব্ৰ আক্ৰমণ কৰে। বিহাৰৰ তিনি বিৰোধী দলে আয়োজনা কৰা ‘জন বিশ্বাস ৰেলী’ত ৰাষ্ট্ৰীয় জনতা দলৰ মুৰব্বী লালু প্ৰসাদ যাদৱে কয় যে গান্ধী ময়দানৰ ৰেলীৰ পৰা মই আপোনালোকক আহ্বান জনাইছো যে আমি আগন্তুক লোকসভা নিৰ্বাচনত বিজেপিক ধ্বংস কৰি পেলাম। ইণ্ডিয়া মিত্ৰজোঁটৰ সৈতে জড়িত দলসমূহ একত্ৰিত আৰু আগন্তুক লোকসভা নিৰ্বাচনত বিজেপিক ক্ষমতাৰ পৰা আঁতৰাব বুলি দাবী কৰে লালু যাদৱে। গৰীৱ, দৰিদ্ৰ, গাঁৱৰ লোকক বিজেপিয়ে প্ৰৱঞ্চনা কৰা বুলি দাবী কৰি বিহাৰত ৪০ খন আসনৰ ভিতৰত ৪০ খনেই জিকিব বুলি দাবী কৰে লালুৱে। সকলো দলিত, আদিবাসী, মহিলা, পিছপৰা শ্ৰেণীৰ লোকক একত্ৰিত হ’বলৈ আহ্বান জনাই লালুৱে। ৰাহুল গান্ধীয়ে ভাষণ প্ৰদান কৰি যেতিয়াই দেশত পৰিৱৰ্তন হয়, বিহাৰৰ গান্ধী ময়দানত ধুমুহা আৰম্ভ হয়। ইয়াৰ ধুমুহা ৰাজ্যৰ বাকী অংশলৈ যায়। বিহাৰ হৈছে দেশৰ ৰাজনীতিৰ স্নায়ু কেন্দ্ৰ। আজি দেশত আদৰ্শৰ যুঁজ চলি আছে। এফালে ঘৃণা, হিংসা, অহংকাৰ আৰু আনফালে প্ৰেম, ভাতৃত্ববোধ। যদি আপুনি মিত্ৰতাক বুজিব বিচাৰে। এটা শাৰীকেই বুজিব লাগিব ‘আমি ঘৃণাৰ বজাৰত প্ৰেমৰ দোকান এখন খুলিছো’। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ ৰাজ্যত যোৱা ৩ বছৰত ২৫ হাজাৰ লোকে আত্মহত্যা কৰিছে। কাৰণ চাকৰি নাই, খাবলৈ খাদ্য নাই। তথাপিও প্ৰধানমন্ত্ৰী মোদীয়ে কয়, মোদীৰ গেৰাণ্টি। আপোনাৰ গেৰাণ্টি কি সকলোৱে জানে। সকলোকে প্ৰতাৰণা কৰাটো আপোনাৰ গেৰাণ্টি। যেতিয়ালৈকে আপোনালোকে মোদীক আঁতৰ নকৰে, তেতিয়ালৈকে দেশত সুখ আৰু সমৃদ্ধি নহয় বুলিও দাবী কৰে মল্লিকাৰ্জুন খাৰ্গেয়ে। উত্তৰ প্ৰদেশৰ সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱে কয় যে এফালে উত্তৰ প্ৰদেশে ৮০ত জয়ী হোৱাৰ শ্ল'গান দিছে, আনহাতে বিহাৰে ৪০ খন জয়ৰ শ্ল'গান দিছে। যদি উত্তৰ প্ৰদেশ আৰু বিহাৰে একেলগে ১২০ খন আসন হেৰুৱায়, তেন্তে বিজেপিৰ কি হ'ব? সংবিধান মন্থন ২০২৪ চনত হ'বলৈ গৈ আছে। এফালে সংবিধানৰ ৰক্ষক আৰু আনফালে সংবিধানৰ চিকাৰীয়ে সংবিধান ধ্বংস কৰিব বিচাৰে। অখিলেশ যাদৱে আৰু কয় ‘কৃষকসকল অসন্তুষ্ট, যুৱসকলৰ হাতত চাকৰি নাই। মোদীৰ দহ বছৰৰ কাৰ্যকালত ৰাইজৰ বাবে কি সফলতা আহিছে? আমি আশা কৰো উত্তৰ প্ৰদেশৰ লগতে বিহাৰো পৰিৱৰ্তনৰ পথত খোজ কাঢ়িব। আৰজেডি নেতা তেজস্বী যাদৱে উদাত্ত কণ্ঠে ভাষণ প্ৰদান কৰি কয় ‘মোৰ দৃষ্টি যিমান দূৰলৈ গৈছে সিমানে কেৱল মানুহ দেখিছো। পাটনাৰ ৰাস্তাতো মানুহেই মানুহ। প্ৰশাসনে গোটেই ৰাতি হাৰাশাস্তি কৰিছিল। কিন্তু আপোনালোকে তথাপিও উপস্থিত হৈছে। নীতিশজী আমাৰ খুৰা, আমি তেওঁক সন্মান কৰো। কিন্তু ২০২০ চনত আমি ১০ লাখ চৰকাৰী চাকৰি দিম বুলি প্ৰতিশ্ৰুতি দিয়াৰ সময়ত এয়া একেই নীতিশ কুমাৰ। তাৰ পিছত তেওঁ কয় যে এয়া অসম্ভৱ। যি ১৭ বছৰত হোৱা নাছিল, আমি একেজন মুখ্যমন্ত্ৰীৰ হাতত প্ৰায় ৫ লাখ লোকৰ চৰকাৰী চাকৰি পাইছো। তেজস্বী যাদৱে দাবী কৰি কয় যে নীতিশ কুমাৰৰ দল জনতা দল ইউনাইটেড ২০২৪ চনত সমাপ্ত হ'ব, আৰজেডিক 'মাই বাপ'ৰ দল বুলিও অভিহিত কৰে।

## ‘বাংগাল-ৰালী মাল’ গান গোৱা পৱন সিঙৰ ভয়

# ২৪ঘণ্টা নৌহওঁতেই বিজেপিৰ টিকটত নিৰ্বাচন নেখেলাৰ ঘোষণা

**ই সংবাদ, ৩মাৰ্চঃ** পশ্চিমবংগৰ যুৱতীক ‘বাংগাল-ৰালী মাল’ বুলি অভিহিত কৰি ভোজপুৰী গান তৈয়াৰ কৰা বিতৰ্কিত ভোজপুৰী তাৰকা পৱন সিঙক বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদানৰ পাছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে পশ্চিমবংগত৷ পশ্চিমবংগৰ আছানচোল সংসদীয় সমষ্টিত পৱন সিঙক প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল বিজেপিয়ে৷ কিন্তু সমগ্ৰ পশ্চিমবংগত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ পূৰ্বে নিজেই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ ঘোষণা কৰে পৱন সিঙে৷ উল্লেখ্য যে, ভোজপুৰী তাৰকা পৱন সিঙক শনিবাৰে বিজেপিয়ে আছানচোল সমষ্টিত প্ৰাৰ্থী কৰাৰ ঘোষণা কৰিছিল। অৱশ্যে, ২৪ ঘণ্টাৰ ভিতৰত পৱন সিঙেনিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ ঘোষণা কৰে৷ পৱন সিঙে কয় ‘মোক বিশ্বাস কৰাত আৰু আছানচোলৰ প্ৰাৰ্থী হিচাপে মোৰ নাম ঘোষণা কৰাক বিজেপি নেতৃত্বক ধন্যবাদ জনাইছো, কিন্তু বিশেষ কাৰণত মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিম।’ বিৰোধীয়ে পৱন সিঙৰ প্ৰাৰ্থিত্বক তীব্ৰ সমালোচনা কৰিছিল। মানুহে পৱন সিঙৰ প্ৰাৰ্থিত্বৰ বিৰোধিতা কৰি কৈছিল যে পৱন সিং বিহাৰৰ বাসিন্দা নহয়। আনহাতে পশ্চিমবংগৰ নাৰীক লৈ ‘মা’ল শব্দ ব্যৱহাৰ কৰি অশ্লীল উদ্দেশ্যেৰে গান গাইছিল৷ পশ্চিমবংগত প্ৰাৰ্থিত্ব দিয়াত বিতৰ্কৰ সৃষ্টি হয়। এই সিদ্ধান্তক লৈ প্ৰশ্ন উত্থাপন কৰে৷ পৱন সিঙৰ পুৰণি গানৰ কথা উল্লেখ কৰি য'ত তেওঁ বংগৰ মহিলাসকলক লৈ বিতৰ্কিত মন্তব্য কৰা হৈছিল। ছ'চিয়েল মিডিয়াত উত্থাপিত প্ৰশ্ন আৰু সমালোচনাৰ পৰিপ্ৰেক্ষিতত বিজেপি হাইকমাণ্ডে আছানচোল আসনত তেওঁৰ প্ৰাৰ্থিত্বৰ প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিছে। পিছত পৱন সিঙেও টুইট কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিববলৈ অস্বীকাৰ কৰে। তৃণমূলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে পৱ সিঙৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ পাছতে পশ্চিমবংগৰ জনসাধাৰণৰ আত্মা আৰু সাহসৰ ফল বুলি কয়। ডেৰেক অ'ব্ৰায়েনে কৌতুক কৰি কয় খেল আৰম্ভ হোৱাৰ আগতে এয়া খেলা হৈছে৷ কংগ্ৰেছৰ অভিষেক সিংভি আৰু তৃণমূলৰ সাকেত গোখলেকে ধৰি কেইবাজনো বিৰোধী নেতাই পৱন সিঙক প্ৰাৰ্থী দিয়াতবিজেপিক সমালোচনা কৰে৷ সিংভিয়ে ছ'চিয়েল মিডিয়া ছাইট এক্সত কয় যে বিজেপিৰ আছানচোল লোকসভাৰ প্ৰাৰ্থীৰ সৃষ্টি আৰু প্ৰচাৰিত সমল দেখি মোৰ মূৰ লাজত লুকাইছো৷ গণতন্ত্ৰ ধ্বংসৰ দিন অতি ওচৰ চাপি আহিছে! পৱন সিঙকো বিজেপিৰ ভিতৰতো সমালোচনা কৰা হৈছিল। প্ৰবীণ নেতা আৰু প্ৰাক্তন ৰাজ্যপাল তথাগত ৰয়ে আছানচোলক পুনৰ চোৱাৰ আহ্বান জনাইছিল। আছানচোল বৰ্তমান তৃণমূল কংগ্ৰেছৰ শত্ৰুঘ্ন সিনহাৰ হাতত আছে। ২০১৪ আৰু ২০১৯ ৰ সাধাৰণ নিৰ্বাচনত জিকা গায়ক-ৰাজনীতিবিদ বাবুল সুপ্ৰিয়ই তৃণমূলত যোগদান কৰাত ২০২২ চনৰ উপ-নিৰ্বাচনত সিনহা নিৰ্বাচিত হৈছিল।

# ‘ৱাছিং মেচিন’ দৰকাৰ হোৱাসকলে কংগ্ৰেছ এৰিছে

**ই সংবাদ, নতুন দিল্লী ৩মাৰ্চঃ** যিসকল নেতাৰ ‘ৱাছিং মেচিন’ৰ প্ৰয়োজন হৈছে সেইসকলে কংগ্ৰেছ এৰি গৈছে৷ এনে নেতাৰ মাজত আছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কংগ্ৰেছে দল ত্যাগ কৰা আন নেতাসকলে। আজি এই কথা উল্লেখ কৰি বিজেপিক আক্ৰমণ কৰে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে৷ জয়ৰাম ৰমেশে সমগ্ৰ দেশৰ লগতে অসম কংগ্ৰেছৰ কেইবাগৰাকী নেতাই বিজেপিত যোগদান কৰাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে যিসকল নেতাক ‘ৱাছিং মেচিন’ৰ প্ৰয়োজন, তেওঁলোকে কংগ্ৰেছএৰি গৈছে। অসমৰ মুখ্যমন্ত্ৰী আৰু কংগ্ৰেছ ত্যাগ কৰানেতাসকলো ইয়াতে পৰে৷ দুৰ্নীতিত অভিযুক্ত আৰু ব্যক্তিগত লাভালাভৰ বাবে দল ত্যাগ কৰা বুলি দাবীকৰিছে ৰমেশে৷ কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াকো আক্ৰমণ কৰি এইসকলক 'ৱাছিং মেচিন'ৰ প্ৰয়োজন আছিল বুলিও কয় ৰমেশে। উল্লেখ্য যে, শেহতীয়াকৈ অসম কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীয়ে বিজেপিত যোগদান কৰিছে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি নেত্ৰীৰ আত্মহত্যা কাণ্ডৰে

হয়৷ নিশা মদৰ ৰাগীত মাতাল অভিমন্যু দাসে তিনিজঁাই গুলীচালনা কৰাৰ অন্তত আৰক্ষীয়ে কেইবা ঘণ্টা ধৰি অভিযান চলাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ শনিবাৰে ধাবাত গুলীচালনা কৰাত গোলঘাট জিলাৰ সৰুপথাৰ আৰক্ষীয়ে কাজিৰঙাৰ কহঁৰাত গ্ৰেপ্তাৰ কৰিছে অভিমন্যু দাসক। গুৱাহাটীৰ বিজেপি নেত্ৰী ইন্দ্ৰানী তহবিলদাৰৰ মৃত্যুৰ সৈতে নাম সাঙোৰ খাইছিল অভিমন্যুৰ। ছ'চিয়েল মিডিয়াত আপত্তিজনক ফটো ভাইৰেল কৰাত ইন্দ্ৰানীয়ে আত্মহত্যা কৰাৰ অভিযোগ উত্থাপন হৈছিল৷ উল্লেখ্য যে, গোলাঘাট জিলাৰ সৰুপথাৰৰ ইকৰাণিত শনিবাৰে নিশা অস্ত্ৰধাৰী দুৰ্বৃত্তই আতংকৰ সৃষ্টি কৰে। নিশা দুখন গাড়ীত অহা ৫ জনীয়া দুৰ্বৃত্তৰ দলে ইকৰাণিস্থিত আইচেং ধাবাৰ সমুখত গুলীচালনা সংঘটিত কৰে। জানিব পৰা মতে, অস্ত্ৰ হাতত লৈ অহা ৫ জনীয়া দুৰ্বৃত্তৰ দলে আইচেং ধাবাৰ পৰা মদ বিচাৰে। মদ বিচাৰি ধমক দি ধাবাৰ কৰ্মচাৰীৰ সৈতে তৰ্কাতৰ্কিত লিপ্ত হৈ শূন্যলৈ তিনিজঁাই গুলীচালনা কৰে৷ তাৰ পাছতে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ধাবাৰ কৰ্মচাৰী মৰসাহ কৰি দুই দুৰ্বৃত্তক ধৰি সৰুপথাৰ আৰক্ষীক গটাই দিয়ে। পাছত আন তিনি দুৰ্বৃত্তক অভিযান চলাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰক্ষী। বৰপথাৰ সৰুলাংঠাৰ গজেন বৰা, ৰাজস্থানৰ দশৰথ সিং, শচীন শৰ্মা আৰু কহঁৰাত আটক গুৱাহাটীৰ অভিমন্যু দাস আৰু উত্তম দাসক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। অভিমন্যু দাসে শূন্যলৈ গুলীচালনা কৰিছিল বুলি জানিব পৰা গৈছে৷ দুৰ্বৃত্তৰ এখন গাড়ী নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাট থানাৰ সমীপত আৰু আনখন গাড়ী কাজিৰঙাৰ বাগৰিত জব্দ কৰে কঁহৰা আৰক্ষীয়৷ এএছ ০৬ এডি ৬৫৬৬ নম্বৰৰ ফৰ্চুনাৰ আৰু আৰজে ৪৫ চিৰাই ৭১৪৮ নম্বৰৰ টয়োটা গাড়ী জব্দ কৰিবলৈ সমৰ্থ হয় আৰক্ষী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ 'সমষ্টি পুনৰ নিৰ্ধাৰণ'ৰ

বাবেই হয়তো বিজেপিয়ে অসমৰ ১৪টা সমষ্টিক বিশেষ গুৰুত্ব সহকাৰে লোৱা নাই৷ বিজেপিৰ বাবে দেশৰ প্ৰতিটো সমষ্টিয়েই গুৰুত্বপূৰ্ণ যদিও উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ, ৰাজস্থান, মহাৰাষ্ট্ৰৰ আসনসমূহ বেছি গুৰুত্বপূৰ্ণ৷ হিন্দীভাষী ৰাজ্যকেইখনৰ প্ৰতিটো সমষ্টিৰ গণিত বিজেপিৰ নেতাৰ মুখে মুখে৷ কিন্তু উত্তৰ প্ৰদেশ, বিহাৰৰ দৰে অসমৰ সমষ্টি কেইটাক গুৰুত্বসহকাৰে নলয় বিজেপিয়ে৷ কিয়নো অসমৰ ১৪টা সংসদীয় সমষ্টিয়ে দিল্লীত চৰকাৰ গঠন আৰু চৰকাৰ পতন ঘটোৱাত কোনো প্ৰভাৱ নেপেলায়৷ এই কথাৰ বাবেই হয়তো বিজেপিয়ে প্ৰকাশ কৰা তালিকাত এশ এবুৰি ভুল ৰৈ গ'ল৷ বিজেপিয়ে অসমৰপ্ৰাৰ্থীৰ নাম সন্নিৱিষ্ট কৰি প্ৰকাশ কৰা তালিতাক কেইবাটাও ভুল দেখা গৈছে৷ তালিকাত কৰিমগঞ্জ সমষ্টি এছচি বুলি উল্লেখ কৰিছে৷ কিন্তু কৰিমগঞ্জ সমষ্টি সংৰক্ষিত নহয়৷ শিলচৰ সমষ্টিহে এছচিৰ বাবে সংৰক্ষিত৷ বৰ্তমান মঙলদৈ বুলি কোনো সমষ্টি নাই৷ দৰং-ওদালগুৰি বুলিহে সমষ্টি গঠন কৰা হৈছে৷ কিন্তু বিজেপিয়ে তালিকাত মঙলদৈ বুলি উল্লেখ কৰিয়েই তালিকা প্ৰকাশ কৰিছে৷ তেনেদৰে তেজপুৰ বুলি সমষ্টি নাই যদিও তেজপুৰ বুলিয়েই উল্লেখ কৰিয়েই প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে৷ তেজপুৰ সমষ্টিক শোণিতপুৰ কৰা হৈছে৷ বৰ্তমান কলিয়াবৰ বুলি কোনো সমষ্টি নাই৷ কিন্তু কলিয়াবৰ বুলি তালিকাত প্ৰকাশ কৰিছে৷ কলিয়াবৰ সমষ্টিক কাজিৰঙা কৰা হৈছে৷ বিজেপিয়ে তেওঁলোকৰ নিৰ্বাচনী তালিকাত এনে ভুল কৰাত প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছো একাংশ লোকে সমষ্টি পুনৰ নিৰ্ধাৰণক বিজেপিয়ে মানি লোৱা নাই বুলিও প্ৰশ্ন কৰিছে৷ বিজেপিয়ে অসমত সীমানিৰ্ধাৰণ কৰা হৈছে বুলি নাজানে নেকি বুলিও বহু লোকে উভতি ধৰিছে বিজেপিক। অৱশ্যে ভুল দৃষ্টিগোচৰ হোৱাৰ পিছতে বিজেপিয়ে প্ৰাৰ্থী তালিকাত সমষ্টিৰ নাম শুদ্ধকৈ উল্লেখ কৰি প্ৰকাশ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'কা' হৈছে অসমীয়া জাতিৰ

ঘূৰি থকা এখন সুতীক্ষ্ণ তৰোৱাল। এই কথা আমি বাৰে বাৰে কৈ আহিছো। অসমবাসীয়ে সৰ্বোচ্চ গাৰ জোৰে আন্দোলন কৰাৰ পিছতো বিজেপি চৰকাৰে নিৰ্বাচনৰ প্ৰাকমূহূৰ্তত 'কা'ৰ বিধি বলৱৎ কৰি পুনৰ অসম অশান্ত কৰিব বিচাৰিছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধানজনে সম্পূৰ্ণ চৰকাৰৰ মুখপাত্ৰৰূপে কাম কৰিবলৈ আৰম্ভ কৰিছে আৰু বিৰোধী দল, সংগঠন, অসমৰ ৰাইজক ভয় ভাবুকিৰে দমন কৰিব বিচাৰিছে। অসমৰ ৰাইজক এই দমন, ভাবুকিৰ তীব্ৰ বিৰোধিতা কৰিবলৈ আৰু 'কা'ৰ সপক্ষত থকা বিজেপি চৰকাৰক ৰাজনৈতিকভাৱে দলিয়াই পেলাবলৈ সকলো প্ৰচেষ্টা হাতত লোৱাৰ আহ্বান জনাইছো। "অসমীয়া ভাষাটো নোহোৱা হৈ যাব"- নীলমণি ফুকনৰ চলচলীয়া চকুপানীৰ সৈতে নিগৰি অহা সেই ভয়, শংকা কোন অসমীয়াই পাহৰিব পাৰে!! (২) গোদী মিডিয়াই হিমাচল প্ৰদেশৰ আচল কাহিনী লুকুৱাই ৰাখিছে। হিমাচল প্ৰদেশত শেহতীয়াকৈ কংগ্ৰেছ চৰকাৰৰ যি ৰাজনৈতিক সংকট দেখা দিছিল তাৰ আঁৰৰ কাহিনী আছিল, কংগ্ৰেছ বনাম আদানি+মোদী। হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিঙে অলপতে প্ৰতিবেগ চিমেন্টৰ ওপৰত ১০ শতাংশ কৰ বৃদ্ধি কৰিছিল। যাৰ ফলত আদানিৰ এটা চিমেন্ট প্লান্ট ৬৭ দিনত বন্ধ হৈছিল। আপেলৰ দাম কৰ্প'ৰেটৰ কাৰণে প্ৰতি কেজিত ৭৬ টকাৰ পৰা ৯৫ টকালৈ বৃদ্ধি কৰাৰ ফলত আদানি এগ্ৰ'ৰ ২০ শতাংশ লোকচান হৈছিল। আদানিৰ এই বৃহৎ লোকচানে মোদীক চিন্তিত কৰি তুলিছিল আৰু তাৰেই ফলশ্ৰুতিত চৰকাৰ ভাঙিবলৈ বিধায়ক কিনা-বেচা হৈছিল। ভাৰতীয় গণতন্ত্ৰ এতিয়া আদানিৰ হাতত। তথাপিও ৰাইজে নিৰ্বাচিত কৰি দিয়া চৰকাৰখন বাচিল। আদানি পৰাজিত হ'ল, মানে বিজেপিও পৰাজিত। গোটেই দেশতেই এই পৰাজয়ৰ পুনৰাবৃত্তি আৰম্ভ হোৱাটোৱে মংগল!

# মহিলা ভলীবলত তেজপুৰ চেম্পিয়ন



**ই-সংবাদ, খুমটাই, ৩ মাৰ্চঃ** গোলাঘাট জিলাৰ খুমটাই লেটেকু চাপৰিত অনুষ্ঠিত আমন্ত্ৰণমূলক মহিলা ভলীবল প্ৰতিযোগিতাৰ সামৰণি পৰে। তেজপুৰ দল (দৃষ্টি বৰা, সোনতৰা ডেকাৰ) চেম্পিয়ন হয় আৰু গোলাঘাট জিলা দলে (এনিশা বৰা, ডলী বেগম) ৰানাৰ্ছআপৰ খিতাপ অৰ্জন কৰে। প্ৰতিযোগিতাত তিনিচুকীয়া, নলবাৰি, ধেমাজী, চৰাইদেউ, তেজপুৰ আৰু গোলাঘাট জিলাৰ সাতটা দলে অংশ গ্ৰহণ কৰে। বহু লোকৰ উপস্থিতিত অনুষ্ঠিত হোৱা চূড়ান্ত খেলখনত সুন্দৰ পৰিবেশ বিৰাজ কৰে। বন ৰক্ষা পৰিবেশ পৰ্যটন আৰু বহুমুখী প্ৰকল্পত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

# খুমটাইত বিহু নাচৰ কৰ্মশালা

**ই-সংবাদ, খুমটাই, ৩ মাৰ্চঃ** ৰঙালী বিহু সমাগত। গাঁৱে-ভূৱে এতিয়া বিহুৰ আখৰা চলিছে। গোলাঘাট জিলাৰ খুমটাই নগাঁও চাণক্য সংঘৰ সৌজন্যত অহা ৭ৰ পৰা ১৩ মাৰ্চলৈ চুংগীহোলা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা অনুষ্ঠিত হ'ব। বিহুৱতী কৰিশ্মা ফুকন আৰু প্ৰশিক্ষক বিহুৱা চুমন গগৈয়ে প্ৰশিক্ষণ প্ৰদান কৰিব। প্ৰথমবাৰ অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাত ২৫০ টকাকৈ মাছুল ধাৰ্য্য কৰা হৈছে। ৭০৮৬৭৭২৬৪৮,৬০০৩৬৫৩৮৫৯ আৰু ৯৩৬৫২৩২১০২ত মবাইল নম্বৰত যোগা-যোগ কৰিব পাৰিব।



# ভাত খাবলৈ অখিলৰ কাষত মন্ত্ৰী পীয়ুষ হাজৰিকা

## অখিলৰ অৰ্কিড উদ্যানত মন্ত্ৰী পীয়ুষ

**ই-সংবাদ, ৩ মাৰ্চঃ** ৰাজনীতিত অসম্ভৱ বুলি একো নাই। এই কথা অসমত বহুবাৰ প্ৰমাণিত হৈছে। লোকসভা নিৰ্বাচনক লৈ অসমৰ শাসক-বিৰোধীৰ মাজত তীব্ৰ বাকযুদ্ধ অব্যাহত থকাৰ সময়তে তেনেই এক বিশেষ দৃশ্য দেখা গ'ল গোলঘাট জিলাৰ কাজিৰঙাত। আজি ৰাজনীতিৰ দুই ঘোৰ শত্ৰু অখিল গগৈ আৰু মন্ত্ৰী পীয়ুষ হাজৰিকাক হাঁহি-স্ফূৰ্তি কৰি সময় পাৰ কৰা দেখা যায়। দুপৰীয়া শাসক-বিৰোধীৰ দুয়ো নেতাই যথেষ্ট সময় একেলগে অতিবাহিত কৰে। দুয়ো নেতাই একেলগে দুপৰীয়াৰ আহাৰো গ্ৰহণ কৰে প্ৰজানিব পৰা মতে, অখিল গগৈৰ কাজিৰঙাস্থিত ব্যৱসায়িক অনুষ্ঠান অৰ্কিড উদ্যান পৰিদৰ্শন কৰে মন্ত্ৰী পীয়ুষ হাজৰিকাই। অসম প্ৰদেশৰ যুৱ মৰ্চাৰ সভাপতি সিধাংকু অংকুৰ বৰুৱাৰ সৈতে হাজৰিকাই অখিল গগৈৰ অৰ্কিড পাৰ্ক পৰিদৰ্শন কৰাৰ লগতে পাৰ্কসংলগ্ন হোটেলত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। পৰিদৰ্শন কৰিবলৈ যোৱাৰ সময়ৰ ফটো শ্বেয়াৰ কৰিছে খোদ মন্ত্ৰী পীয়ুষ হাজৰিকাই। উক্ত সময়খিনিত দুয়ো নেতাক খবৰ খুহুতীয়া পৰিৱেশত দেখা যায়।



**বিকশিত অসম!** গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙত দক্ষিণ প্ৰান্তৰ কৰিডৰ নিৰ্মাণ প্ৰায় সম্পূৰ্ণ

# বিশ্ব বেংকৰ আঁচনি পৰিদৰ্শন

**ই-সংবাদ, লাহৰীঘাট ৩ মাৰ্চঃ** বিশ্ব বেংকৰ দ্বাৰা অনুমোদিত অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্পৰ (এপাৰ্ট) ৰাজ্যিক প্ৰকল্প সঞ্চালক বীৰেন্দ্ৰ মিট্টালে আজি মৰিগাঁও জিলা পৰিদৰ্শন কৰে। সঞ্চালকগৰাকীক লাহৰীঘাট কৃষি চক্ৰৰ অধীনৰ বৰচলাস্থিত পোহৰ কৃষক উৎপাদক গোটৰ কাৰ্যালয়ত জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাই উষ্ম আদৰণি জনায়। পোহৰ কৃষক উৎপাদক গোটৰ দ্বাৰা তৈয়াৰ কৰা উন্নত প্ৰজাতিৰ ধান আৰু আলুৰ বীজ উৎপাদনস্থলী পৰিদৰ্শন কৰে। ৰপ্তানি আৰু লাভালাভ, বজাৰ, আধুনিক কৃষি যন্ত্ৰ পাতিৰ সঠিক ব্যৱহাৰ আদিৰ বিষয়ে গোটৰ বিষয়-ববীয়া তথা সদস্যসকলৰ সৈতে মত-বিনিময় কৰে। কৃষক উৎপাদক গোটটোৱে বীজ উৎপাদনৰ জৰিয়তে উৎপাদন, আয়, গোটৰ ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে বুজ লোৱাৰ লগতে কৃষকক উপযুক্ত বজাৰ দখলৰ জৰিয়তে অধিক লাভান্বিত হ'ব পাৰে সেই দিশক গুৰুত্ব দিয়ে।

# যোৰাবাটত কবি জয়ীতা ব্ৰহ্মচাৰীৰ কাব্য সংকলন উন্মোচন




**ই-সংবাদ, খানাপাৰা, ৩ মাৰ্চঃ** কবি জয়ীতা ব্ৰহ্মচাৰীৰ প্ৰথমখন বাংলা ভাষাৰ কবিতা সংকলন জয়ীতা'ছ পয়েট্ৰী (এ বাকেট অফ বেংগলী পয়েট্ৰী) দেওবাৰে উন্মোচন কৰা হয়। গুৱাহাটীৰ আমছিং যোৰাবাটৰ মাতৃ মন্দিৰত আয়োজিত এক অনুষ্ঠানত উন্মোচন কৰা হয় এই কাব্য সংকলনখনিৰ। বন্তি প্ৰজ্বলনৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে পানীখাইতিৰ মহৰ্ষি বিদ্যা মন্দিৰ পাব্লিক স্কুলৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ অভিৰূপ বিশ্বাসে। উল্লেখ্য যে, কবি জয়ীতা ব্ৰহ্মচাৰীৰ এই নৱতম কাব্য সংকলনখনিত সন্নিবিষ্ট কৰা হৈছে পৰিয়াল, ৰাজনীতি, সমাজ, প্ৰেম আদিৰ উন্মেষ ঘটা সত্তৰটা কবিতা। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেত্ৰী সীমা বিশ্বাসে কাব্য সংকলনখনিৰ বাবে প্ৰেৰণ কৰিছে শুভেচ্ছা টোকা। আইআইপি প্ৰকাশনৰ দ্বাৰা ইতিমধ্যে অনলাইনযোগে প্ৰকাশ কৰা এই কাব্য সংকলনখনিয়ে পঢ়ুৱৈৰ পৰা সমাদৰ লাভ কৰিব বুলি আশা প্ৰকাশ কৰে কবি জয়ীতা ব্ৰহ্মাচাৰীয়ে। এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড০ নম্ৰতা কুমাৰী, এডভেণ্ট একাডেমী স্কুলৰ অধ্যক্ষ সুজিত ভট্টাচাৰ্য, অসম পাব্লিক স্কুলৰ অধ্যক্ষা চন্দ্ৰিকা শৰ্মাৰ লগতে কবিগৰাকীৰ পিতৃ-মাতৃ আৰু আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ডিমাকুছিত বন্যহস্তীৰ আক্ৰমণত নিহত চাহ শ্ৰমিক

**ই-সংবাদ, ডিমাকুছি, ৩ মাৰ্চঃ** ওদালগুৰি জিলাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী এলেকাত মানুহৰ জীৱন-সম্পত্তিৰ নিৰাপত্তা এতিয়া শূন্য। যিকোনো লোকেই যিকোনো মুহূৰ্তত প্ৰাণ হেৰুৱাব পাৰে। এনে কাণ্ড এতিয়া প্ৰতিনিয়ত সংঘটিত হৈ আহিছে। ইয়াৰ অন্তৰালত হাতী-মানুহৰ সংঘাত। হাতী-মানুহৰ সংঘাত নিৰাময়ৰ বাবে ৰাজ্য চৰকাৰ আৰু প্ৰমোদ বড়োৰ পৰিষদীয় চৰকাৰে গুৰুত্ব নিদিয়াৰ ফলতে এতিয়া প্ৰতিদিনে মানুহৰ প্ৰাণ যাব ধৰিছে। তাৰ মাজতে আজি পুনৰ ডিমাকুছিত বন্যহস্তীৰ গচকত প্ৰাণ গৈছে এজন শ্ৰমিকৰ। ভাৰত-ভুটান সীমান্তৰ বামুণজুলি-ডিমাকুছি পথত পুৱাৰ ভাগতে সংঘটিত হয় শোকাৱহ ঘটনা। বন্যহস্তীৰ গচকত প্ৰাণ যায় বাদলাপাৰা ফাৰাম লাইনৰ ইলিয়াছ টপ্প'ৰ (৬০)। পুৱা চাইকেল লৈ কামলৈ ওলাই যোৱাৰ সময়তে সংঘটিত হয় এই শোকাৱহ ঘটনা। চাইকেলেৰে গৈ থকাৰ সময়তে বাদলাপাৰা চ'কৰ সমীপত পকী পথ পাৰ হ'বলৈ ধৰা এজাক বন্যহস্তীৰ মুখা-মুখি হয় লোকজন। সেই স্থানতে হাতীৰ গচকত থিতাতে নিহত হয় ইলিয়াচ টপ্প'। লোকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে, ওদালগুৰি জিলাৰ ভাৰত-ভুটান সীমান্তত নিতৌ বৃদ্ধি পাইছে আহিছে হাতী-মানুহৰ সংঘাত। কিন্তু সম্পূৰ্ণভাৱে হাতী-মানুহৰ সংঘাত ৰোধ কৰিবলৈ ব্যৰ্থ হৈ পৰিছে বিটিআৰ প্ৰশাসন তথা বিয়াগোম বন বিভাগ। বাৰে-বাৰে বিভাগীয় কৰ্তৃপক্ষক দাবী জনায় অহা পিছতো গা-লৰা নাই চৰকাৰ তথা বন-বিভাগৰ কুম্ভকৰ্ণ নিদ্ৰাত বিটিআৰ প্ৰশাসন। ২০২৩ বৰ্ষত এই অঞ্চলত কেইবাজনো নিৰীহ লোকে প্ৰাণ হেৰুৱাৰ বিপৰীতে কেইবাটাও বন্যহস্তীৰ মৃত্যু হয় বহুতো পৰিয়াল গৃহহাৰা হৈ পৰে। পৰ্যাপ্ত সা-সুবিধাৰ অভাৱত বনকৰ্মীসকলো অসহায় হৈ পৰিছে বন্যহস্তী নিয়ন্ত্ৰণত। বন বিভাগক অত্যাধুনিক কৰি গঢ়ি তুলি বন্যহস্তীৰ সন্ত্ৰাস নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰক দাবী জনাইছে ৰাইজে।

## প্ৰাৰ্থিত্বৰ তালিকাক লৈ মন্ত্ৰী পীযুষ হাজৰিকাৰ মত

# যোগ্য আৰু অভিজ্ঞ ব্যক্তিসকলে প্ৰাৰ্থিত্ব লাভ কৰিছে

**ই সংবাদ, ৩মাৰ্চঃ** আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে সদ্য ঘোষিত ভাৰতীয় জনতা পাৰ্টিৰ মনোনীত প্ৰাৰ্থীৰ তালিকা সন্দৰ্ভত আজি অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই সাংবাদিকৰ আগত নিজৰ প্ৰতিকিয়া ব্যক্ত কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰতীয় জনতা দলে অভিজ্ঞ আৰু যোগ্য ব্যক্তিক আগবঢ়াই দিছে। ৰাজ্যৰ জ্যেষ্ঠ মন্ত্ৰী পৰিমল শুক্লবদ্যক শিলচৰৰ প্ৰাৰ্থীত্ব প্ৰদান কৰা বিষয়ত সাংবাদিকৰ প্ৰশ্নৰউত্তৰত মন্ত্ৰী হাজৰীকাই কয় যে, শুক্লবৈদ্য ডাঙৰীয়া পাৰ্টীৰ আটাইতকৈ পুৰণি মানুহ।তেওঁ বৰ্তমান যদিও মন্ত্ৰীপদত আছে তথাপিও দলে তেওঁক শিলচৰৰ পৰা প্ৰাৰ্থী হিচাপে আগবঢ়াইছে। ৰঞ্জিত দত্ত দলৰ আটাইতকৈ বিজ্ঞ এজন ব্যক্তি আৰু তেজপুৰৰ পৰা দত্ত ডাঙৰীয়াক প্ৰাৰ্থী হিচাপে দলে আগবঢ়াই দিছে। আনহাতে বিজুলী কলিতা দলৰ এগৰাকী জ্যেষ্ঠ কাৰ্য্যকৰ্তা হিচাপে টিকেট লাভ কৰিছে। উল্লেখ্য যে, সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই লোকসভা নিৰ্বাচন ডিব্ৰুগড়ৰ পৰা খেলিব। মন্ত্ৰী হাজৰীকাৰ। মতে এইখন খুব ভাল তালিকা প্ৰস্তুত হৈছেএইখন তালিকা দেখি বিপক্ষ শিবিৰত যি খন্তেকীয়া সুখ আছিল সেইয়াও নাইকীয়া হৈছে। তেওঁ আৰু কয় যে, শুনামতে বিপক্ষ শিবিৰত এতিয়াও প্ৰাৰ্থী তালিকা সালসলনি হৈ আছে। কংগ্ৰেছ দলৰ কাজিৰঙা, যোৰহাট, ডিব্ৰুগড় সমষ্টিত বৰ্তমানেও কোনো প্ৰাৰ্থী নিৰ্ধাৰিত হোৱা নাই তাৰ কাৰণ মন্ত্ৰীজনে জানিবলৈ দিয়া মতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ জনপ্ৰিয়তা আৰু সেই কাৰণেই বিপক্ষ দলৰ থকা সৰকা অৱস্থা।

# দুলীয়াজানত বিজেপি ত্যাগ কৰি আপত যোগদান শতাধিকৰ





**গুৱাহাটী, ৩মাৰ্চঃ** ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত দুলীয়াজানৰ টেঙাখাটত সম্পন্ন আম আদমী পাৰ্টিৰ বৃহৎ যোগদান কাৰ্যসূচী। দেওবাৰে আপৰ কেন্দ্ৰীয় নেতা জেছমিন শ্বাহ আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰৰ উপস্থিতিত ডিব্ৰুগড় জিলা বিজেপিৰ প্ৰাক্তন সাংগঠনিক সম্পাদক মিলন দাসৰ লগতে শতাধিক কৰ্মী আপত যোগদান কৰে। আপৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ উন্নয়নৰ ৰাজনীতি আৰু দলৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ তেওঁলোকে দলটোত যোগদান কৰে। যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰা দলৰ ৰাষ্ট্ৰীয় নেতা জেছমিন শ্বাহে সংবাদ মাধ্যমক কয় যে ৰাজ্যখনত বিজেপিয়ে দলটোৰ চাৰিগৰাকী সাংসদক দলীয় প্ৰাৰ্থিত্ব দিয়া নাই। বিগত দিনত এই সকল সাংসদে জনসাধাৰণৰ স্বাৰ্থত কাম কৰা নাই। নিজৰ বাবেহে কাম কৰিছিল। বিজেপিৰ প্ৰাৰ্থীক ভোট দিলে ৰাইজৰ কাম নকৰে সেয়া স্পষ্ট। গতিকে আম আদমী পাৰ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰক ডিব্ৰুগড় লোকসভা সমষ্টিৰ পৰা বিজয়ী কৰিবলৈ আহ্বান জনায়। মনোজ ধানোৱাৰেও ডিব্ৰুগড় বাসীৰ উন্নয়নৰ স্বাৰ্থত বিৰোধী ঐক্যমঞ্চৰ অন্তৰ্গত দল হিচাপে সমৰ্থন কৰিবলৈ আহ্বান জনায়।

### ‘সাহিত্য সভাক ব্যভিচাৰৰ পৰা উদ্ধাৰ কৰিব লাগিব’

# সাহিত্য সভাৰ কেন্দ্ৰীয় সাহিত্য দিৱসৰ দিন সলনি



**ই-সংবাদ, ওদালগুৰি, ৩ মাৰ্চঃ** অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সাহিত্য দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ দিন সলনি কৰা হৈছে। আগন্তুক লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সলনি কৰা হৈছে দিৱসৰ কাৰ্যসূচীসমূহ। এই উপলক্ষে আজি দিনৰ ১১-৩০ বজাত ওদালগুৰি সাহিত্য সভাৰ সভাকক্ষত অনুষ্ঠিত হৈ যায় কেন্দ্ৰীয় সাহিত্য দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ আদৰণি সমিতিৰ এখনি সাধাৰণ সভা। আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি গৌতমজ্যোতি তালুকদাৰৰ সভাপতিত্বত আয়োজিত সভাত উপস্থিত থাকি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই নিজৰ ভাষণ প্ৰসঙ্গত আগন্তুক লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই কেন্দ্ৰীয় সাহিত্য দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ কাৰ্যসূচী ২৬, ২৭ আৰু ২৮ মাৰ্চৰ পৰিৱৰ্তে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতি দিৱসৰ সৈতে সংগতি ৰাখি চলিত বৰ্ষৰ ৭, ৮ আৰু ৯ চেপ্তেম্বৰত অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। প্ৰধান সম্পাদকগৰাকীয়ে প্ৰতিখন উপসমিতিকে অনুষ্ঠানটো সুন্দৰভাৱে পৰিচালনা কৰাৰ ক্ষেত্ৰত সহযোগিতা কামনা কৰে। তেওঁ লগতে অসম সাহিত্য সভাৰ মুক্ত শিক্ষা সংসদৰ অধীনস্থ এবছৰীয়া অসমীয়া ভাষা শিক্ষা পাঠ্যক্ৰমৰ প্ৰশংসা কৰি সকলোকে সাধ্যানুসাৰে এই পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে আহ্বান জনায়। আজিৰ এই সভাতে বিগত বৰ্ষত ওদালগুৰি কেন্দ্ৰৰ পৰা উক্ত পাঠ্যক্ৰমত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ মাজত প্ৰমাণপত্ৰ প্ৰদান কৰে। ইফালে ভাষণ প্ৰসঙ্গত প্ৰধান সম্পাদক ড° শৰ্মাই অসম সাহিত্য সভাৰ ভিতৰচৰাত চলি থকা খেলিমেলিৰ প্ৰসঙ্গও উল্লেখ কৰে। তেওঁ কয়, "অসম সাহিত্য সভাৰ ভিতৰচৰাত বহুতো খেলিমেলি আৰু ব্যভিচাৰ চলি আছে। মোৰ কাৰ্যকালত সাহিত্য সভাত ব্যভিচাৰ কৰিবলৈ দিয়া নহব। আপোনালোকে দোকান দিয়ক, ব্যৱসায় কৰক, দালালি কৰে যি কৰে কৰি থাকক, কিন্তু সাহিত্য সভাৰ মঞ্চলৈ ব্যভিচাৰ কৰিবলৈ নাহিব। আপোনালোকে জাতীয় জীৱন কলুষিত কৰিবলৈ নাহিব। এয়া ড° উপেন্দ্ৰজিৎ শৰ্মাৰ প্ৰতিজ্ঞা। মোৰ কাৰ্যকালৰ এটা বছৰ ইতিমধ্যে পাৰ হৈছে আৰু এটা বছৰ আছে। মই ইতিমধ্যে সাহিত্য সভাৰ পৰা পদত্যাগ কৰাৰ কথা চিন্তা কৰিছিলো যদিও এজন লোকে মোক যথেষ্ট সাহস দিছিল। সাহিত্য সভাখনত সততাৰ ভেটি প্ৰতিষ্ঠা কৰিব বিচৰাৰ বাবে মোৰ বিৰুদ্ধে গোচৰ-মোকৰ্দমা দিয়া হৈছে। সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানৰ নামত, শিক্ষানুষ্ঠানৰ নামত মন্দিৰ-মছজিদৰ নামত মানুহে অন্যায় কৰিব নাপায়। যদিহে অন্যায় কৰাৰ চেষ্টা কৰে, তেন্তে তেওঁৰ পৰিক্ৰমা বেছি দিনলৈ চলি নাথাকে।" তেখেতে সকলো জাতি জনগোষ্ঠীৰ লোককে সাহিত্য সভাৰ সৈতে যোগ হৈ সভাক নিস্বাৰ্থভাৱে আগুৱাই নিয়াৰ পোষকতা কৰে। আজিৰ এই সভাত আদৰণি সমিতিৰ সভাপতি তথা বিটিচিৰ কাৰ্যবাহী সদস্য নিলুৎ স্বৰ্গীয়াৰী, সাধাৰণ সম্পাদক অখিল কলিতা, সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ড° বিপিন চন্দ্ৰ কলিতা, জ্যেষ্ঠ নাগৰিক নৰেশ্বৰ ডেকা, ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি-সম্পাদককে প্ৰমুখ্য কৰি আদৰণি সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকি নিজৰ মতামত দাঙি ধৰে।

# এবছুৰ প্ৰাক্তন সদস্যসহ ইউপিপিএলৰ ২৬ কৰ্মীৰ বিপিএফত যোগদান




**ই-সংবাদ, কোকৰাঝাৰ, ৩ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ ঘোষণাৰ দিন চমু চাপি অহাৰ সময়তে ৰাজনৈতিকদলসমুহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। কোকৰাঝাৰ লোকসভা সমষ্টিত আজিৰে পৰা বিপিএফ দলে বুথ পৰ্যায়ৰ সভা আৰম্ভ কৰিছে। আজি বাওখুংগ্ৰী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত তথা কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত কোকৰাঝাৰৰ ৰাসমেলা পথাৰত বিপিএফৰ বুথ পৰ্যায়ৰ এক সভা অনুষ্ঠিত হয়। বাওখুংগ্ৰী পৰিষদীয় সমষ্টিৰ বিভিন্ন বুথ পৰ্যায়ৰ সভাপতি, সম্পাদক সহ সহস্ৰাধিক সদস্য কৰ্মীয়ে অংশগ্ৰহণ কৰা উক্ত সভাত বিপিএফৰ সভাপতি তথা বিটিআৰৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে লোকসভা নিৰ্বাচনৰ দিন তাৰিখ ঘোষণা হোৱাৰ পিছতহে তেওঁলোকে প্ৰাৰ্থী ঘোষণা কৰিব বুলি সদৰী কৰিছে। কোকৰাঝাৰ আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিত তেওঁলোকে প্ৰতিদ্বন্দ্বিতা কৰিব আৰু দুয়োটা সমষ্টিতে তেওঁলোকৰ বিজয় নিশ্চিত বুলি দাবী কৰিছে মহিলাৰীয়ে। তেওঁ কয়, দুয়োটা সমষ্টিতে আমাৰ ভাল। দুয়োটা সমষ্টিত বিপিএফে জিকাৰ পিছত দুজন সাংসদৰ ভিতৰত এজনে কেন্দ্ৰীয় মন্ত্ৰীপদ পাব। ইপিনে সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত হাগ্ৰামা মহিলাৰীয়ে কয় যে অকল বিটিচিতে নহয় বিটিচিৰ বাহিৰৰ ছিপাঝাৰ, মঙ্গলদৈ, দলগাঁও, ৰঙিয়া আদিৰ পৰাও ভোটাৰসকলে তেওঁৰ সতে যোগাযোগ কৰি আছে আৰু তেওঁ শীঘ্ৰেই সিহঁতক সময় দিব। আনহাতে কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থিত্বক লৈ সাংবাদিকৰ এক প্ৰশ্নত্তোৰত হাগ্ৰামা মহিলাৰীয়ে কোকৰাঝাৰ লোকসভা সমষ্টিৰ পৰা তিনিজনে প্ৰাৰ্থী বিচাৰিছে আৰু ইয়াত কোনোবা এক নম্বৰ, কোনোবা দুই নম্বৰত আছে বুলি কোনো কথা নাই বুলি মন্তব্য কৰি সময়ত দলে প্ৰাৰ্থী সন্দৰ্ভত সিদ্ধান্ত লব বুলি মন্তব্য কৰিছে হাগ্ৰামা মহিলাৰীয়ে। উল্লেখ্য যে আজিৰ বুথ পৰ্যায়ৰ সভাত এবছুৰ চাৰি গৰাকী প্ৰাক্তন সদস্য সহ ইউপিপিএলৰ ২৬ গৰাকী কৰ্মীয়ে বিপিএফত যোগদান কৰে৷ আনহাতে আজিৰে পৰা আৰম্ভ হোৱা বিপিএফৰ বুথ পৰ্যায়ৰ সভা কোকৰাঝাৰ লোকসভা সমষ্টিত অন্ত পৰাৰ পিছতে হাগ্ৰামা মহিলাৰীয়ে দৰং -ওদালগুৰী লোকসভা সমষ্টিতো একাদিক্ৰমে বুথ পৰ্যায়ৰ সভাত অংশগ্ৰহণ কৰিব। কোকৰাঝাৰ ৰাসমেলা পথাৰত অনুষ্ঠিত হোৱা বিপিএফৰ বুথ পৰ্যায়ৰ সভাত বিপিএফৰ প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, বিপিএফৰ জ্যেষ্ঠ নেতা তথা বিটিআৰৰ পাৰিষদ ক্ৰমে দেৰহাছাৎ বসুমতাৰী,দনেশ্বৰ গয়াৰীও উপস্থিত আছিল।

# হোজাইত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সমিতি গঠন

**ই-সংবাদ, মোৰাঝাৰ ৩ মাৰ্চঃ** ৰাজ্যৰ জ্যেষ্ঠ নাগৰিকৰ মৌলিক অধিকাৰৰ হৈ মাত মতি অহা অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ হোজাই জিলা সমিতি আজি গঠন কৰা হয়। হোজাইৰ সাহিত্যৰথী বেজবৰুৱা ভৱনত প্ৰতিনিধিত্বমূলক সাধাৰণ সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত ডিআইজি কৃষ্ণ কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কাৰ্যকৰী সভাপতি বাণেশ্বৰ খাউণ্ড, কেন্দ্ৰীয় সম্পাদক প্ৰধান প্ৰসন্ন কুমাৰ বৰঠাকুৰ, প্ৰচাৰ আৰু জনসম্পৰ্ক সম্পাদক ৰমণী বৰ্মন, অৱসৰপ্ৰাপ্ত অধ্যাপক কুমুদেশ্বৰ শৰ্মা, মঘিৰাম শইকীয়া, হুছেইন আহমেদ উপস্থিত থাকে। সভাত জিলাখনৰ হোজাই, লংকা, কাকি, লামডিং, যোগীজান, ডবকাত একোখনকৈ আঞ্চলিক সমিতি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰি আহ্বায়ক সমিতি গঠন কৰা হয়। অৱসৰপ্ৰাপ্ত ডিআইজি কৃষ্ণ কুমাৰ শৰ্মাক সভাপতি, অৱসৰপ্ৰাপ্ত অধ্যাপক ডা০ গুনেশ্বৰ শইকীয়াক কাৰ্যকৰী সভাপতি আৰু অনুপ কুমাৰ বৰঠাকুৰক সাধাৰণ সম্পাদক হিচাপে ১৯ জনীয়া জিলা সমিতি গঠন কৰা হয়৷ সভাত হোজাই জিলাৰ অন্তৰ্গত জ্যেষ্ঠ নাগৰিকসকলৰ উপস্থিত থাকে৷

শেষ পৃষ্ঠা


# ৰোহিতৰ পিছত মাৰক্ৰাম

**হায়দৰাবাদ, ৩ মাৰ্চঃ** ৰোহিত শৰ্মাৰ পিছত এইডেন মাৰক্ৰামে আই পি এলত নেতৃত্ব হেৰুৱাব নেকি? সেইলৈ ক্ৰিকেট মহলত চৰ্চা চলিছে। আই পি এলৰ যোৱাটো চিজনত চানৰাইজাৰ্ছ হায়দৰাবাদ দলৰ নেতৃত্বত আছিল মাৰক্ৰাম। এইবাৰ হায়দৰাবাদ দলে বিশ্বকাপ জয়ী অষ্ট্ৰেলিয়ান অধিনায়ক পেট কামিন্সক উচ্চ মূল্যত ক্ৰয় কৰিছে। সেয়ে দলে তেওঁক নেতৃত্ব প্ৰদান কৰিব পাৰে বুলি প্ৰকাশ পাইছে। তেনেহলে মাৰক্ৰামে নেতৃত্ব হেৰুৱাব লাগিব। উল্লেখ্য যে ইতিমধ্যে মুম্বাই ইণ্ডিয়ান দলে ৰোহিত শৰ্মাৰ পৰিৱৰ্তে হাৰ্দিক পাণ্ডিয়াক অধিনায়ক নিযুক্তি দিছে।

# ভাৰতক নেতৃত্ব দিব অংকিতাই



**নতুন দিল্লী, ৩ মাৰ্চঃ** অহা মাহত চীনত অনুষ্ঠিত হ'বলগীয়া বিলী জেন কিং কাপ টেনিছ প্ৰতিযোগিতাৰ এছিয়া-ওছেনিয়া গ্ৰুপৰ খেলত ভাৰতীয় দলক নেতৃত্ব প্ৰদান কৰিব অংকিতা ৰাইনাই। দেশৰ এক নম্বৰ মহিলা টেনিছ তাৰকা অংকিতাৰ লগত দলত থাকিব চাহাজা য়ামালাপল্লী, ৰিতুজা ভোচলে, শ্ৰীভাল্লী ভামিডিপাতী আৰু প্ৰাৰ্থনা থমবাৰে। চীনৰ চাংছাত ৮ এপ্ৰিলৰ ১৩ এপ্ৰিললৈ প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। ইয়াত ভাৰতৰ লগতে চীন, টাইপে, দক্ষিণ কোৰিয়া আৰু পেচিফিক ওচেনিয়াৰ খেলুৱৈ অংশগ্ৰহণ কৰিব।




# হঠাতে নোহোৱা হোৱা এপছৰ পুনৰুদ্ধাৰ প্ৰক্ৰিয়া আৰম্ভ

**ই সংবাদ, ৩মাৰ্চঃ** সেৱা শুল্ক বিবাদৰ পৰিপ্ৰেক্ষিতত প্লে ষ্ট'ৰৰ পৰা আঁতৰোৱা ভাৰতীয় মোবাইল এপসমূহ পুনৰুদ্ধাৰ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে গুগলে। সূত্ৰৰ খবৰ অনুসৰি, কেন্দ্ৰীয় তথ্য-প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে হোৱা বৈঠকৰ পিছতে এই সিদ্ধান্ত গ্ৰহণ কৰিছে গুগলে। উল্লেখ্য যে, শুকুৰবাৰে গুগলে ১০টা ভাৰতীয় কোম্পানীৰ এপ প্লে ষ্ট'ৰৰ পৰা আঁতৰোৱাৰ পিছতে ভাৰতত সৃষ্টি হয় তীব্ৰ প্ৰতিক্ৰিয়াৰ। ভাৰতীয় বজাৰত অধিপত্য বিস্তাৰ কৰা কোম্পানীটোৱে ভাৰত বিবাহ, নৌকৰি এপৰ দৰে কেইবাটাও ভাৰতীয় এপ প্লে ষ্ট'ৰৰ আঁতৰাই পেলাইছিল। এই বিতৰ্কৰ সূত্ৰপাত ঘটিছিল মূলতঃ গুগলে ইন-এপ পেমেণ্টৰ বাবে ১১ৰ পৰা ২৬ শতাংশ লোৱাৰ বাবে। ভাৰতীয় ষ্টাৰ্টআপসমূহে গুগলৰ এই সিদ্ধান অনৈতিক বুলি অভিহিত কৰি দীৰ্ঘদিন ধৰি প্ৰতিবাদ জনাই আহিছে। ইফালে প্লে ষ্ট'ৰৰ পৰা নিজৰ কোম্পানীৰ এপ আঁতৰোৱাৰ পিছতে হতাশা ব্যক্ত কৰে মেট্ৰিমনি ডট কম, ভাৰত মেট্ৰিমনি, খ্ৰীষ্টিয়ান মেট্ৰিমনি, মুছলিম মেট্ৰিমনি আৰু জোডিৰ প্ৰতিষ্ঠাপক মুৰুগাভেল জানকীৰমনে। বৈবাহিক সেৱাৰ ওপৰত সম্ভাৱ্য প্ৰভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ ভাৰতৰ ইণ্টাৰনেটৰ বাবে এটা অন্ধকাৰ দিন বুলি অভিহিত কৰে। জানকীৰমনে কয়ে কয়, 'আমাৰ এপসমূহ এটা এটাকৈ ডিলিট কৰা হৈছে। ইয়াৰ আক্ষৰিক অৰ্থ হ'ল সকলো শীৰ্ষ বিবাহ সেৱা আঁতৰোৱা হ'ব।' ইফালে গুগুলৰ প্ৰতিনিধিক সাক্ষাৎ কৰাৰ পূৰ্বে আজি কেন্দ্ৰীয় তথ্য-প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ভাৰতীয় ষ্টাৰ্টআপ ইক' চিষ্টেম সুৰক্ষিত কৰাৰ প্ৰয়োজনীয়তা আছে আৰু চৰকাৰে এই কথা গুগলক অৱগত কৰাৰ চেষ্টা চলাইছে। মন্ত্ৰীগৰাকীয়ে কয়, "আমাৰ এটা অতি বৃহৎ আৰু সজীৱ ষ্টাৰ্টআপ ইক'চিষ্টেম আছে। এই ইক'চিষ্টেম যাতে সুৰক্ষিত হৈ থাকে তাৰ বাবে আমি সকলো পদক্ষেপ ল'ব লাগিব। গুগল ভাৰতীয় প্ৰযুক্তিৰ ভাল গ্ৰহণকাৰী হৈ আহিছে।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান